# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 18-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনৰ বাবে দাখিল কৰা ৭ হাজাৰ ১৭৪খন মনোনয়ন পত্ৰৰ ভিতৰত ১৮৯খন মনোনয়ন পত্ৰ নাকচ হয় আৰু ছহেজাৰ ৭৬১খন মনোনয়ন পত্ৰ বৈধ বিবেচিত হয়। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা অৰ্থাৎ কালি ২৩৪খন মনোনয়ন প্ৰত্যাহাৰ কৰা হয়। ৩৯৭খন জিলা পৰিষদৰ বাবে আৰু আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। গাঁও পঞ্চায়তৰ ২১ হাজাৰ ৯২০খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

সমাগত পঞ্চায়ত নিৰ্বাচনত শিৱসাগৰ জিলাৰ মুঠ দুহেজাৰ ৩০৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। গাঁও পঞ্চায়ৰ সদস্য পদত ইতিমধ্যে ১৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। আঞ্চলিক পঞ্চায়ত সদস্য পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা এজন প্ৰাৰ্থীৰ মৃত্যু হৈছে বুলি জিলা প্ৰশাসনে প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জনাইছে।

পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসকীয় ভাৰতীয় জনতা পাৰ্টীয়ে এই নিৰ্বাচনৰ বাবে পূৰ্ণ শক্তিৰে প্ৰচাৰ চলাইছে। দলটোৱে আজি কাছাৰ জিলাত আনুষ্ঠানিকভাৱে প্ৰচাৰ অভিযান আৰম্ভ কৰে। শিলকুৰিত বিজয় সংকল্প সমাৰেশ আয়োজন কৰি দলটোৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সাংসদ পৰিমল শুক্লবৈদ্য, মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাজনো জ্যেষ্ঠ নেতাই এই সমাৰেশত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, জিলাখনৰ ২৫ খন জিলা পৰিষদ আসনৰ ভিতৰতৰ দুখনত আৰু ১৬২ খন আঞ্চলিক আসনৰ ভিতৰত ৩৫ খনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি প্ৰাৰ্থী জয়ী হৈছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি জিলাৰ ৪ খন পঞ্চায়তৰ কেইবাখনো প্ৰচাৰ সভাত অংশ লৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়।

সাংসদ ৰকিবুল হুছেইনে আজি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত চেঙাৰ মুছলমানপাৰাত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। পঞ্চায়ত নিৰ্বাচনত চেঙা আৰু মন্দিয়াৰ কংগ্ৰেছ কৰ্মীসকলৰ কৰণীয় সন্দৰ্ভত সভাত আলোচনা কৰা হয়। পাকা বেটকুছি সমষ্টিটো নিশা কংগ্ৰেছৰ এখন গুৰুত্বপূৰ্ণ নিৰ্বাচনী সভা অনুষ্ঠিত হয়।

বিৰোধী কংগ্ৰেছ দলে আজি গুৱাহাটীত দলটোৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। দলটোৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত মুকলি কৰা এই ইস্তাহাৰত দলটোৱে পঞ্চায়ত দখল কৰিলে পঞ্চায়তি ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইস্তাহাৰত পঞ্চায়তৰ জৰিয়তে তৃণমূল পৰ্যায়লৈ ক্ষমতা হস্তান্তৰ, জবকাৰ্ডৰ অধিকাৰীক ন্যূনতম ১০০ দিনৰ কৰ্ম নিশ্চিতি আৰু মজুৰি বৃদ্ধিৰ প্ৰতিশ্ৰুতিৰ লগতে পি এম এ ৱাইৰ অৰ্ধনিৰ্মিত ঘৰসমূহ সম্পূৰ্ণ কৰা, আঁচনিৰ অনুমোদনৰ বিত্তীয় বৰ্ষটোতেই নিৰ্মাণকাৰ্য সমাপ্ত কৰা, সময়মতে পুঁজি মুকলি কৰা আৰু সকলো আঁচনিৰ সফল ৰূপায়ণ সুনিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইয়াৰ লগতে ইস্তাহাৰত আঁচনি নিৰ্ধাৰণ, হিতাধিকাৰী নিৰ্বাচনত হোৱা দুৰ্নীতি, স্বজন-তোষণ, বৈষম্যৰ অৱসান ঘটাই সকলোৰে সম অধিকাৰ, সমবিকাশ সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে।

নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনসমূহে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অহা ৭ তাৰিখে হ'বলগীয়া দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ বাবে হাটশিঙিমাৰিত দুহেজাৰ ৮৫১ গৰাকী নিৰ্বাচনী বিষয়াক দুদিনীয়া কাৰ্যসূচীৰে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এইবেলি জিলাখনত ২৫ টা ভোটকেন্দ্ৰত সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

একেদৰে শোণিতপুৰ জিলা প্ৰশাসনেও নিৰ্বাচনী বিষয়াসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। জিলা আয়ুক্ত অংকুৰ ভৰালী আৰু নিৰ্ধাৰিত নিৰ্বাচনী পৰ্যৱেক্ষকৰ এটি দলে আজি তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচী পৰিদৰ্শন কৰে। দলটোৱে প্ৰশিক্ষণ প্ৰক্ৰিয়া পৰ্যৱেক্ষণ কৰাৰ লগতে প্ৰশিক্ষণত অংশ লোৱা বিষয়া-কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলঙৰ ডিফুৰ তাৰালাংচৰ সাংস্কৃতিক প্ৰকল্পত আয়োজিত কাৰ্বিসকলৰ আদিম ধৰ্মৰ **আৰন বাৰিম চিংৰুম আমেইৰ** সভাত অংশ লয়। জনসভাত ভাষণ প্ৰসংগত তেওঁ কয়, যে পাঁচ হাজাৰ পুৰণি কাৰ্বি আৰন বাৰিমৰ আদৰ্শ পৰম্পৰা, ৰীতি-নীতি, ধৰ্মীয় বিশ্বাস আৰু সাজ-পোছাকে কাৰ্বিসকলৰ পৰিচয় বহন কৰি আহিছে। ড০ শৰ্মাই সভাত জিলাখনত ১০০ টা ৰংকেৰ পূজাৰ গৃহ নিৰ্মাণৰ লগতে কাৰ্বি পুৰোহিতসকলৰ বাবে ১০ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। কাৰ্বি সাংস্কৃতিক সমাজৰ শিল্পীয়ে প্ৰদৰ্শন কৰা কাৰ্বি লোকনৃত্য উপভোগ কৰি তেওঁ শিল্পীসকলক গুৱাহাটীৰ সৰুসজাইলৈ আমন্ত্ৰণ জনায়।

ইয়াৰ লগতে তেওঁ জিলা পৰ্যায়ৰ বিভাগীয় মুৰব্বীসকলৰ সৈতে ডিফুত পৰ্যালোচনা বৈঠকত মিলিত হয়। আলোচনাত ভূমি আৰু ৰাজহ সংস্কাৰ, বিবাদ সমাধান, ভূমি হস্তান্তৰ, আন্তঃগাঁথনিৰ উন্নয়ন সম্পৰ্কে পৰ্যালোচনা কৰা হয়। আন এখন বৈঠকত তেওঁ কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ কেইবাটাও সংস্থাৰ প্ৰতিনিধিসকলৰ সৈতে বিভিন্ন উন্নয়নমূলক বিষয়ত আলোচনা কৰে।

০০০০০

লখিমপুৰৰ লালুক সোণাপুৰত ৰঙা নদী উন্নয়ন মঞ্চৰ উদ্যোগত আৰু ৰঙানদী সমষ্টিবাসীৰ সহযোগত আজি ৰঙালী মহোৎসৱ অনুষ্ঠিত হয়। এই ৰঙালী মহোৎসৱত ২ হেজাৰ ৫০০ গৰাকী শিল্পীয়ে একেলগে বিহু, ঝুমুৰ, মিছিং আৰু সোণোৱাল কছাৰী নৃত্যৰ প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত মন্ত্ৰী পিযুছ হাজৰিকাৰ লগতে স্থানীয় বিধায়ক মানৱ ডেকা, অসম যুৱ আয়োগৰ সদস্য তথা বহুকেইগৰাকী অভিনেতা-অভিনেত্ৰী আৰু অসমৰ জনপ্ৰিয় ইউটিউবাৰসকল উপস্থিত থাকে।